# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 29-12-2025
**Time :** 1340 hrs

*Assamese Midday Bulletin*

## HEADLINES

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি জামছেদপুৰৰ কাৰাণ্ডি এলেকাত আয়োজিত অল চিকি লিপিৰ শতবাৰ্ষিকী উদযাপন অনুষ্ঠানত অংশগ্ৰহণ কৰে।

২। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি নগাঁৱৰ বটদ্ৰৱাত ঐতিহাসিক সাংস্কৃতিক প্ৰকল্প উদ্বোধন কৰে।

৩। বিকশিত ভাৰত গ্ৰামীণ জীৱিকা আৰু নিয়োগ নিশ্চিত যোজনা অৰ্থাৎ জি ৰামজি আইনে ৰাজ্যসমূহক ১৭ হাজাৰ কোটি টকা আবণ্টন দিছে।

৪। মেক্সিকোৰ আন্তঃমহাসাগৰীয় কৰিডʼৰত এখন যাত্ৰীবাহী ৰেʼলগাড়ী দুৰ্ঘটনাগ্ৰস্ত হোৱাৰ ফলত ১৩গৰাকী লোকৰ মৃত্যু হোৱাৰ লগতে ৯৮গৰাকী আহত হয়।

*আৰু*

৫। মহিলা টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেল কাইলৈ তিৰৱনন্তপুৰমত অনুষ্ঠিত হʼব।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি জামছেদপুৰৰ কাৰাণ্ডি এলেকাত আয়োজিত অল চিকি লিপিৰ শতবাৰ্ষিকী উদযাপন অনুষ্ঠানত অংশগ্ৰহণ কৰে। এই অনুষ্ঠানত ভাগ লৈ ৰাষ্ট্ৰপতিগৰাকীয়ে অল চিকি লিপিৰ প্ৰৱৰ্তক পণ্ডিত ৰঘুনাথ মুৰ্মুৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে।

উল্লেখযোগ্য যে পণ্ডিত মুৰ্মুৱে ১৯২৫ চনত চাওতালী ভাষা শুদ্ধভাৱে লিখাৰ প্ৰয়াসেৰে এই লিপি প্ৰৱৰ্তন কৰিছিল। এই বৰ্ণমালাত ৩০টা আখৰ আছে আৰু প্ৰতিটো আখৰেই প্ৰকৃতিৰ বিভিন্ন উপাদানৰ দ্বাৰা প্ৰভাৱিত।

ooooo

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে পুডুচেৰীক এখন গৌৰৱময় মহানগৰ বুলি অভিহিত কৰি কয় যে এই চহৰখনে কেইবা শতিকা আগৰ পৰাই বিশ্ববাসীৰ আগত কেৱল প্ৰাচীন সভ্যতাৰ পৰিচয় দিয়াই নহয়, প্ৰেম আৰু সামগ্ৰিকতাৰ মূল্যবোধকো প্ৰতিফলিত কৰি আহিছে। উপ-ৰাষ্ট্ৰপতি হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত আজি প্ৰথমবাৰৰ বাবে কেন্দ্ৰীয় শাসিত অঞ্চলটো ভ্ৰমণলৈ যোৱা ৰাধাকৃষ্ণণে পুডুচেৰীত উপস্থিত হৈ এইদৰে মত প্ৰকাশ কৰে। পুডুচেৰীয়ে ইয়াৰ সাংস্কৃতিক শ্ৰেষ্ঠত্বক দীৰ্ঘকাল ধৰি সযত্নে সংৰক্ষণ কৰিছে বুলি উল্লেখ কৰি তেওঁ লগতে, চহৰখনে সুব্ৰমণিয় ভাৰতীয়, ভি ভি এছ্ আয়াৰ আৰু ভাৰতীদছনকে ধৰি প্ৰসিদ্ধ কবি আৰু চিন্তাবিদসকলৰ প্ৰতিও শ্ৰদ্ধা নিবেদন কৰে।

ইয়াৰ পূৰ্বে, আজি পুডুচেৰীত উপস্থিত হোৱাৰ পাছত উপ-ৰাষ্ট্ৰপতিগৰাকীক সন্মান সহকাৰে আদৰণি জনোৱা হয়। শ্ৰীৰাধাকৃষ্ণণক আদৰণি জনোৱাৰ উদ্দেশ্যে আয়োজন কৰা অনুষ্ঠানত পুডুচেৰীৰ উপ-

ৰাজ্যপাল কে কৈলাসনাথন, মুখ্যমন্ত্ৰী এম ৰংগছামি, বিধানসভাৰ অধ্যক্ষ আৰ ছেলৱম, কেইবাগৰাকীও মন্ত্ৰী আৰু সাংসদকে ধৰি বহুকেইগৰাকী জনপ্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। আজিৰ এই অনুষ্ঠানত উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে স্মাৰ্ট চিটী প্ৰকল্পৰ অধীনত কুমাৰাগুৰুপল্লমত বাসগৃহ লাভ কৰা হিতাধিকাৰীসকলৰ মাজত ঘৰৰ চাবি বিতৰণ কৰে।

ooooo

দিনজোৰা ভ্ৰমণসূচীৰে আজি অসমলৈ অহা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আজি কিছুসময়ৰ পূৰ্বে বটদ্ৰৱা সাংস্কৃতিক প্ৰকল্প  উদ্বোধন কৰে। বটদ্ৰৱা প্ৰকল্পস্থলীত উপস্থিত হোৱাৰ পাছতে গৃহমন্ত্ৰীগৰাকীয়ে আয়তীসকলক দিহা নাম পৰিৱেশনেৰে আদৰণি জনায়। গৃহমন্ত্ৰীগৰাকীক মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই পৱিত্ৰ গুৰু আসনৰ প্ৰতিকৃতি, মুখা শিল্পৰ চানেকি আৰু পাটৰ গামোচাৰে আদৰণি জনায়। শ্ৰী শ্বাহে বটদ্ৰৱাত কেইবাটাও প্ৰকল্প উদ্বোধন কৰাৰ লগতে ভালেমান কাৰ্যসূচীত অংশ লৈছে। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে বটদ্ৰৱাত ৰাজ্য চৰকাৰে নতুনকৈ নিৰ্মাণ কৰি উলিওৱা ঐতিহাসিক বটদ্ৰৱা প্ৰকল্প উদ্বোধন কৰে। এই অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটা আৰু মন্ত্ৰী বিমল বৰা উপস্থিত থাকে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱাক কলা-সংস্কৃতি আৰু আধ্যাত্মিকতাৰ অন্যতম প্ৰাণকেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ লগতে পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰ কৰি তোলাত এই প্ৰকল্পই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি আশা কৰা হৈছে। শ্ৰীশ্বাহে আজি বৰদোৱাত এটা ৰাজহুৱা সমদলতো অংশলোৱাৰ কথা।

উল্লেখযোগ্য যে ২২২ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা  বটদ্ৰৱা প্ৰকল্পত গুৰু আসন ভৱন, মণিকাঞ্চন নামঘৰ, দক্ষতা বিকাশ কেন্দ্ৰ, গৱেষণা কেন্দ্ৰ, কলা কেন্দ্ৰ, নাটঘৰ, দহটা জনগোষ্ঠীয় কুটিৰকে ধৰি বিভিন্ন ব্যৱস্থা থাকিব।

গৃহমন্ত্ৰীগৰাকীয়ে আন্তঃগাঁথনি উন্নয়নৰে ৰাজ্যৰ আইন-শৃংখলা ব্যৱস্থা অধিক উন্নত কৰাৰ লক্ষ্যৰে গুৱাহাটীত আৰক্ষী আয়ুক্তৰ কাৰ্যালয় ভৱন আৰু স্বয়ংচালিত নগৰ নিৰীক্ষণ ব্যৱস্থা মুকলি কৰিব। ১১১ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা আৰক্ষী আয়ুক্তৰ কাৰ্যালয় ভৱনত ৪০০ গৰাকী বিষয়াৰ বাবে সু-ব্যৱস্থা থকাৰ উপৰি আৰক্ষীৰ সকলো শাখা সংযুক্ত কাৰ্যালয়, একত্ৰিত প্ৰমাণীকৰণ শাখা আদি থাকিব। শ্ৰী শ্বাহে খানাপাৰাত নৱ-নিৰ্মিত ৫ হাজাৰ আসনযুক্ত জ্যোতি-বিষ্ণু প্ৰেক্ষাগৃহ উদ্বোধন কৰিব। ৪৫ বিঘা এলেকাজুৰি ২৯১ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা এই প্ৰেক্ষাগৃহত সন্মিলন ভৱন, অত্যধুনিক দৃশ্য-শ্ৰাব্য ব্যৱস্থা, ডিজিটেল আন্তঃগাঁথনিকে ধৰি বহুবোৰ উন্নত মানৰ ব্যৱস্থা থাকিব। গৃহমন্ত্ৰীগৰাকীয়ে এই প্ৰেক্ষাগৃহতে জন্মগতভাৱে থকা হৃদৰোগৰ পৰা সুস্থ হোৱা এহেজাৰ শিশুৰ অভিবাদন অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশ ল'ব। শ্ৰীশ্বাহে বৰাগাঁৱত নৱনিৰ্মিত শ্বহীদ স্মাৰক ক্ষেত্ৰ পৰিদৰ্শন কৰি অসম আন্দোলনৰ বীৰ শ্বহীদসকলৰ প্ৰতি শ্ৰদ্ধা জনাব।

ooooo

বিকশিত ভাৰত গ্ৰামীণ জীৱিকা আৰু নিয়োগ নিশ্চিত যোজনা অৰ্থাৎ জি ৰামজি আইনে ৰাজ্যসমূহক ১৭ হাজাৰ কোটি টকা আবণ্টন দিছে। এই আইন ২০ বছৰ পুৰণি মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰামীণ নিয়োগ নিশ্চয়তা আইন- এমজিএনৰেগা, ২০০৫-ৰ সলনি কাৰ্যকৰী কৰা হৈছে। ভাৰতীয় ষ্টেট বেংক- এছ বি আইৰ এটা গৱেষণা প্ৰতিবেদন অনুসৰি এই আইন কাৰ্যকৰী হোৱাৰ ফলত ৰাজ্যসমূহত পুঁজিৰ বিতৰণ অধিক উন্নত হ'ব। এই প্ৰতিবেদনত প্ৰকাশ পোৱা মতে এমজিএনৰেগাৰ সংশোধন আৰু নৱীকৰণৰ

জৰিয়তে বিকশিত ভাৰত জি ৰামজিয়ে উন্নয়নৰ যাত্ৰাৰ ৰূপান্তৰমূলক ব্যৱস্থা আৰু কৌশলসমূহ সংহত কৰি তুলিব। এই আইনৰ দ্বাৰা প্ৰতিযোগিতামূলক প্ৰকল্প চিনাক্তকৰণ, উৎপাদনশীল সম্পদ সৃষ্টি, উপাৰ্জন বৃদ্ধি আৰু দক্ষ নিৰীক্ষণ ব্যৱস্থা গঢ়ি তোলাৰ লক্ষ্য লোৱা হৈছে। এছ বি আইৰ মুখ্য অৰ্থনৈতিক উপদেষ্টা ডঃ সৌম্যকান্তি ঘোষৰ নেতৃত্বত যুগুত কৰা এই প্ৰতিবেদনত বিকশিত ভাৰত জিৰামজি আইনে নিয়োগ সৃষ্টি ব্যৱস্থা শক্তিশালী কৰাৰ দিশত থকা পূৰ্ব দুৰ্বলতাসমূহ আঁতৰ কৰাৰ লগতে সমগ্ৰ প্ৰক্ৰিয়াটোক স্বচ্ছ, পৰিকল্পিত আৰু প্ৰতিটো পৰ্যায়ত জৱাবদিহি কৰি তুলিব। উল্লেখযোগ্য যে সংসদৰ শীতকালীন অধিৱেশনত দুয়োখন সদনে বিকশিত ভাৰত জি ৰামজি বিধেয়ক গৃহীত কৰিছিল আৰু ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে এই বিধেয়কত অনুমোদন জনোৱাৰ পাছতে আইন হিচাপে কাৰ্যকৰী হৈছিল। এই আইনে পূৰ্বৰ এমজিএনৰেগা পূৰ্বৰ এমজিএনৰেগাৰ ১০০ দিনৰ ঠাইত গ্ৰামাঞ্চলৰ প্ৰতিটো পৰিয়ালক ১২৫ দিনৰ নিশ্চিত নিয়োগ প্ৰদান কৰিব।

০০০০০

কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদ- চি বি এছ ইয়ে ফেব্ৰুৱাৰীত হ'বলগীয়া কেন্দ্ৰীয় শিক্ষক যোগ্যতা নিৰূপণকাৰী পৰীক্ষা চি-টেটৰ একবিংশ সংস্কৰণৰ বাবে অনলাইন আবেদন সম্পূৰ্ণ কৰিব নোৱাৰা প্ৰাৰ্থীসকলক সকাহ প্ৰদান কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে। চি বি এছ ইয়ে জাৰি কৰা অধিসূচনা অনুসৰি এই পৰীক্ষাৰ বাবে যোৱা ২৭ নৱেম্বৰৰ পৰা ১৮ ডিচেম্বৰলৈ অনলাইন আবেদনৰ প্ৰক্ৰিয়া মুকলি আছিল যদিও সময়সীমা উকলি যোৱাৰ পাছত পৰিষদে প'ৰ্টেলৰ বিসংগতিৰ বাবে আবেদন সম্পূৰ্ণ কৰিব নোৱাৰা বুলি একাংশ শিক্ষাৰ্থীৰ পৰা অভিযোগ লাভ কৰিছিল। পৰিষদে বিষয়টো চালিজাৰি চাই পঞ্জীয়ন প্ৰক্ৰিয়া আৰম্ভ কৰা অথচ আবেদন প্ৰক্ৰিয়া সম্পূৰ্ণ নকৰা এক লাখ ৬১ হাজাৰৰো অধিক শিক্ষাৰ্থীক আবেদন সম্পূৰ্ণ কৰাৰ সুযোগ প্ৰদানৰ সিদ্ধান্ত গ্ৰহণ কৰে।

০০০০০

দেশত পানকাৰ্ড আৰু আধাৰকাৰ্ড সংযোগৰ বাবে অন্তিম সময়সীমা অহা ৩১ ডিচেম্বৰ ধাৰ্য কৰা হৈছে। নাগৰিকে কৰ আদায় দিয়াৰ সময়ত ব্যক্তিৰ আধাৰ আৰু পানকাৰ্ড সংলগ্ন কৰাটো বাধ্যতামূলক কৰা হৈছে। ২০২৪ চনৰ ১ অক্টোবৰতে আধাৰকাৰ্ড আৰু পানকাৰ্ড সংলগ্ন কৰাৰ এটা নিৰ্দেশ জাৰি কৰা হৈছিল আৰু পাছত এই সময়সীমা ২০২৫ চনৰ ৩ এপ্ৰিললৈ পুনৰ বৃদ্ধি কৰা হৈছিল। ৩১ ডিচেম্বৰৰ পূৰ্বে আধাৰকাৰ্ড আৰু পানকাৰ্ড সংলগ্ন নকৰিলে এহেজাৰ টকাকৈ জৰিমণা ভৰিব লাগিব, অন্যথা পানকাৰ্ডসমূহ নিষ্ক্ৰিয় কৰি দিয়া হ'ব বুলি নিৰ্দেশনাত উল্লেখ কৰা হৈছে। এই সময়সীমাৰ ভিতৰত আধাৰ আৰু পান সংলগ্ন নকৰিলে ২০২৬ বৰ্ষৰ টিডিএছ আৰু টি চি এছ ধনৰাশি ঘূৰাই দিয়া নহ'ব।

০০০০০

মেক্সিকোৰ ছেলিনা ক্ৰুজ কোৱাটজাকোৱালকোচ পথৰ ইষ্টমাচ অব তেহৰান টেপেকৰ আন্তঃমহাসাগৰীয় কৰিড'ৰত এখন যাত্ৰীবাহী ৰে'লগাড়ী দুৰ্ঘটনাগ্ৰস্ত হোৱাৰ ফলত ১৩গৰাকী লোকৰ মৃত্যু হোৱাৰ লগতে ৯৮গৰাকী আহত হয়। ৰে'ল বিভাগৰ সূত্ৰই প্ৰকাশ কৰা মতে ৰেলগাড়ীখনত ২৫০গৰাকী যাত্ৰী আছিল। মেক্সিকোৰ নৌসেনা বিভাগে উদ্ধাৰ অভিযানৰ বাবে ৩৬০গৰাকী জোৱান, এম্বুলেন্স, ড্ৰোণকে ধৰি সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। ৰাষ্ট্ৰপতি ক্লৌডিয়া শ্বেইনবমে সংশ্লিষ্ট বিষয়াসকলক আহত লোকসকলক প্ৰয়োজন সাপেক্ষে চিকিৎসা সাহায্য প্ৰদানৰ ব্যৱস্থা কৰিবলৈ নিৰ্দেশ দিছে।

০০০০০

মহিলা টি-টুৱেণ্টি ক্রিকেট শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেল কাইলৈ তিৰুৱনন্তপুৰমত অনুষ্ঠিত হ'ব। কালি একেটা স্থানতে অনুষ্ঠিত শৃংখলাৰ চতুৰ্থখন খেলত ভাৰতে, শ্ৰীলংকাক ৩০ ৰানত পৰাস্ত কৰে। ভাৰতে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত দুটা উইকেট হেৰুৱাই শ্ৰীলংকাক ২২২ ৰানত বৃহৎ লক্ষ্য নিৰ্ধাৰণ কৰি দিয়ে। দলৰ হৈ স্মৃতি মান্ধানাই ৮০ আৰু শেফালি বাৰ্মাই ৭৯ ৰান কৰে। প্ৰত্যুত্তৰত শ্ৰীলংকাই ২০ অভাৰত ৬ উইকেটৰ বিনিময়ত ১৯১ ৰানহে কৰিবলৈ সমৰ্থ হয়। দলটোৰ হৈ চামাৰী আথাপটুৱে ৫২ ৰান কৰে। স্মৃতি মান্ধানাক প্লেয়াৰ অব্ দ্যা মেচ ঘোষণা কৰা হয়।

কালিৰ জয়ৰ সুবাদত ভাৰতে পাঁচখনীয়া টি-টুৱেণ্টি শৃংখলাত ৪-০ৰ অগ্ৰগতি লাভ কৰিছে।

০০০০০

**সমাপ্ত**